ঘৰখনৰ আনবোৰতকৈ কম। মানুহজনীয়ে জেদ কৰি শাকৰ তৰকাৰিৰে ভাত নাখাওঁ বুলি ক'বলৈ ল'লে তাইৰ জিভাখনেও বিদ্ৰোহ কৰে। তাহানি ভনীয়েকৰ আব্দাৰত মাছ-মাংসৰ টোপোলা কঢ়িয়াই অনা প্ৰয়াত দেউতাকৰ হাতৰপৰা বেগটো লৈ পুখুৰীৰ পাৰত ধুই থাকোঁতেও তাইৰ মনলৈ নাহে, তাই যে সিজোৰা কণীৰেহে ভাতকেইটা খাই বেছি ভাল পায়।

সাধাৰণ মানুহ এজনৰো সদায় কিবা নহয় কিবা এটা অসাধাৰণ বিশেষত্ব থাকে। বিধাতাৰ সৃষ্টিৰ আঁৰৰ ৰহস্যবোৰ আমি সাধাৰণ নৰমনিচে কেতিয়াও বুজিব নোৱাৰোঁ। মানুহজনীৰো কিবা নহয় কিবা এটা বিশেষত্ব আছে। কিন্তু সেয়া কি আৰু কিয় ভাবি কোনেও মূৰ নঘমায়। আচলতে সামান্য মানুহজনীৰ কথাত মূৰ সুমুৱাবলৈ কোনেও সময়ো নাপায় আৰু প্ৰয়োজনবোধো নকৰে। আনৰ দৃষ্টিত তেনেই সামান্য মানুহজনীৰ হুমুনিয়াহবোৰৰ গুমগুমনি কোনেও শুনিবলৈ নাহে। অকলে অকলে কান্দি বুকুৰ দুখৰ কলহ নমোৱা মানুহজনীৰ কথাই কেতিয়াও কাকো ব্যতিব্যস্ত কৰি তুলিব নোৱাৰে।

এই সামান্য মানুহজনীৰো এটা ধুনীয়া নাম আছে। 'নীৰা'। অৱশ্যে তাইৰ জন্মৰ পাছত কোনো কাৰণ নথকাকৈ দেউতাকে ৰেডিঅ'ত শুনা নামটোকে তাইক দি দিছিল। জোখতকৈও গাৰ ৰংটো অলপ বেছি ধূসৰ মানুহজনীয়ে নিজৰ নামটো বৰ ভাল পায়। জনা হোৱাৰ দিনত তাই মৌমিতা বৌদিৰপৰা ৰন্ধন শিকাৰ দৰেই শিকি পেলাইছিল বৌদিৰ মুখৰ ভাষাও। বৌদিৰপৰাই তাই কেইবাখনো বাংলা কিতাপো খুজি আনি পঢ়িছিল। কিন্তু ভোটা বুদ্ধিৰ মানুহজনী কিতাপ এখনত বুৰ গৈ থকা কথাটোত ঘৰখনৰ সকলোৰেই যেতিয়া পেংলাই কৰা হ'ল, কিতাপৰ পাতত ডুবি সন্ধিয়াটো বগোৱাৰ বাসনা তাইৰ নোহোৱা হৈ গ'ল। কিন্তু বাংলা কবি সুনীল গংগোপাধ্যায়ৰ কবিতাৰ নীৰাজনী হৈ তাই কল্পনাৰ চৌত লুটি-বাগৰ খাই ফুৰিবলৈ অৱশ্যে নেৰিলে। নিজৰ আবেগবোৰ তাই নিজৰ বুকুতেই সামৰি থ'ব পাৰে। মানে তাই শিকিছে। কিন্তু সুনীল গাংগুলীৰ নীৰা হৈ থাকিব খোজা ছোৱালীজনীক সদায় যে কেৱল ঘৰুৱা কামৰ হেঁচাতেই আবদ্ধ কৰি ৰখা হ'ল।

কাৰো চকুত নপৰা জোখতকৈ চাপৰ ছোৱালীজনী এইবাৰ কলেজ পাইছে। ঘৰৰপৰা কলেজলৈ ১২ কিল'মিটাৰ পথ। এঘণ্টাৰ মূৰে মূৰে চলা ছিটিবাছকেইখন আৰু দুই-এখন লাইন বাছৰ বাহিৰে টাউনলৈ যাবলৈ বেলেগ সুবিধা নাই। নীৰাই ৰাতিপুৱাই উঠি আগচোতাল-পিছচোতাল সাৰে। মাটি ফিল্টাৰত কুঁৱাৰপৰা তুলি পানী ভৰায়। পানী ফিল্টাৰ হয় মানে তাইৰ বাহী বাচন মজা, কাপোৰ ধোৱা আদি কামবোৰ কৰি শেষ হয়। লৰালৰিকৈ গাটো তিয়াই তিয়নি কাপোৰখিনি খচি দি পাকঘৰ পায়হি মানে কলেজলৈ যাবলৈ দেৰিয়েই হয়। ভনীয়েকে বাকি দিয়া ৰঙা চাহ অকমান দুশোহামান মাৰি তাই চৌকাত ভাতৰ চৰু পাতে। ভাত উতলে মানে তাই ভাতৰ মাৰ দি ধুই থোৱা সেউজীয়া পাৰীৰ চাদৰখনত ধুনীয়াকৈ মিহি মিহি জাপ দুটামান দি লয়। ইপিনে ভাতৰ নিসনি কাঢ়িবলৈ তাইৰ দেৰি হৈ যায়গৈ। দৌৰা দৌৰিকৈ ভাতৰ চৰুটো ফুটছাইতে থৈ তাই পাচলি কুটাত লাগে। পাতল তৰকাৰি এখন ৰান্ধি ভনীয়েক আৰু মাকলৈ দুখন কাঁহীত ভাত আৰু অলপ অলপ তৰকাৰি দি ঢালি থয়। ভাতমুঠি নাকে-কাণে গুঁজি তাই উকা মুগা মেখেলাৰ লগত সেউজীয়া পাৰীৰ চাদৰখন পিন্ধি কাঠৰ ফ্ৰেমত বন্ধোৱা আইনাখনত এবাৰ ভালকৈ নিজক চাই লয়। নাই, বিশেষ বুলিবলৈ নিজৰ মুখখনত তাই কোনোদিনেই একো বিচাৰি নাপায়। নিজৰ বিশেষ কিবাটো তাই আইনা চাই চাই সদায়ৰ দৰেই নিৰাশ হয়। হুমুনিয়াহ এটা এৰি তাই নিজৰ কঁকাললৈকে পৰা দীঘল চুলিখিনি সোঁমাজেৰে সেওঁতা ফালি দুফালে দুডাল বেণী গুঁঠি লয়। ঘৰতে কলপাতত মিঠাতেল সানি কৰা কাজল অলপ চকুত লগায়। কপালৰ সোঁমাজত এটা অকমানি বিন্দি লয়। এই বিন্দিটোৰো এটা কাহিনী আছে। জীয়াই থাকোঁতে পুলিছ দেউতাকে চাকৰিৰ পোষ্টিং হোৱা ঠাইৰপৰা ঘৰলৈ আহোঁতে দুয়োজনী জীয়াৰীলৈ কেইবা পেকেটো বিন্দি ফোট লৈ আহে। মাকে সেন্দূৰৰ ফোটেই লয় কাৰণে কেৱল সিহঁত দুজনীলৈ বুলিয়েই ক'লা বিন্দিৰ কেইবাটাও পেকেট লৈ আহে। এই বিন্দি ফোটৰ পেকেটটো তাই বৰ ভাল পায়।

ঘৰৰ কামবোৰ শেষ কৰি মাকক মাত লগাই নীৰা কলেজলৈ বুলি ওলাই যায়। নীৰাৰ মাকৰ দৃষ্টিশক্তি অলপ দুৰ্বল। সেয়ে সিহঁতে মাকলৈ একো কাম নাৰাখে। যিমান পাৰে সকলো কাম শেষ কৰি সিহঁত স্কুল-কলেজলৈ যায়। সৰুৰপৰাই মাকৰ অসুবিধাখিনি সিহঁতে বৰ সুন্দৰকৈ ভগাই ল'বলৈ শিকিছে।

বাছত নীৰাহঁত প্ৰায়েই থিয় হৈ যাবলগীয়া হয়। নীৰাই বাছত যাত্ৰীয়ে ধৰিবলৈ লগাই থোৱা মূৰৰ ওপৰৰ ষ্টিলৰ ষ্টিকডাল ঢুকি নাপায়। তাই ছিটৰ পিছফালে কোনোমতে ধৰি যায়। বাছত আগৰপৰা উঠি অহা ল'ৰা দুটামানে তাইলৈ সদায় চাই হাঁহে। তাইৰ অঁকৰা খংটো উঠি আহি নাকটোতে বহি চিকুট মাৰি ধৰে। খঙে-লাজে গোটেইজনী ৰঙা হৈ পৰে। উচাট মাৰি তাই ইফালে মুখ ঘূৰাই দিয়ে। ল'ৰাকেইটাক তাই চকু পাৰি দেখিব নোৱাৰে। "অসভ্য ক'ৰবাৰ" বুলি ভোৰভোৰাই থাকে তাই। "ক'লা গুণ্ডা'ৰ দৰে ল'ৰা এটাই তাইলৈ দূৰৰপৰাই সদায় চায়। ৰঙা চকুৰ ল'ৰাটোক দেখিলেই তাইৰ আকৌ খঙে টিঙিচকৈ মাৰে। পাৰিলেতো তাই বাছৰপৰাই নামি গ'ল হয়। কিন্তু সময় অনুযায়ী চলা মুষ্টিমেয় বাছকেইখনৰপৰা তাই যে নামো বুলিও নামি যাব নোৱাৰে।

ৰঙা চকুৰ মানুহজনৰ লগতে নীৰাৰ বিয়া হৈ গ'ল। তাই আপত্তি কৰিও ৰক্ষা নাপালে। এসময়ত বিদেশী খেদা আন্দোলনত নামি কলেজ এৰা মানুহটোৰ অসাধাৰণ প্ৰজ্ঞা দেখি তাই মাজে মাজে আচৰিত হয়। তাইৰ মাৰ্কশ্বিটবোৰ মানুহজনক দেখুৱাবলৈ তাই লাজ কৰে। মানুহজনৰ এল পি স্কুলৰ মাষ্টৰৰ চাকৰিটোও আন্দোলনৰ পাছত আঞ্চলিক দলটো শাসনলৈ অহাৰ পাছতেই হৈছিল। প্লেন, ননপ্লেনৰ পাৰ্থক্য নুবুজা মানুহজনীয়ে বৰ টুকটাককৈ ঘৰখন চলাব জানে। মাজে মাজে মানুহজনৰ ছয়-সাতমাহ দৰমহা নহয়। ৰেছনৰ দোকানীৰ ওচৰত ধাৰ লাগে। ৰেছনৰ দোকানীয়ে বাকী দিবলৈ টান পোৱা হয়। মানুহজনীয়ে বাকীৰ বহীত এক কেজি লগা বস্তুবোৰ আধা কেজিলৈ নমাই দিয়ে। শেষত সেই পৰিমাণ এপোৱামান লিখিবলৈও তাই অকণো লাজ নাপায়।

সিদিনা সম্পৰ্কীয় বৰদেউতাকৰ ছোৱালী তাইৰ ভনীয়েক এজনী গিৰিয়েকৰ সৈতে হঠাতে আহি ওলাল। নীৰাৰ ওচৰত চাৰিমাহৰ ধাৰ শোধাব নোৱৰা বাকীৰ বহীখন। ৰেছনৰ দোকানীৰ ওচৰলৈ যাবলৈ লাজেই লগা হৈছেগৈ, কিন্তু নগ'লেও যে নচলে। সেয়ে আলহী সাক্ষাৎ দামোদৰ বুলি জ্ঞান কৰা মানুহজনীয়ে ঘৰত পুহিবলৈ অনা পাৰহালকে ওচৰৰ কণল'ৰাক মাৰি চাফা কৰিবলৈ দি তাই কোবাকুবিকৈ দোকান পালেগৈ। আহোঁতে মিঠাতেলৰ বটলটোত এপোৱা তেল আৰু বিস্কুটৰ পেকেট এটা লৈ উভতি আহিল। অৱশ্যে গিৰিয়েকে দৰমহা পোৱা দিনবোৰতো তাই সদায় হাত ধৰিয়েই চলে। তথাপি মাহ পাৰ হোৱাৰ লগে লগে অভাৱবোৰ বাঢ়ি গৈয়েই থাকে দেখোন।

মিঠাতেলৰ বটলটো চাদৰৰ আঁৰত লুকুৱাই তাই পাকঘৰত সোমাল। ভনীয়েকে নীৰাৰ ল'ৰা-ছোৱালীহালৈ অনা কম দামী মিঠাই আৰু তাই ৰেছনৰ দোকানৰপৰা অনা বিস্কুটেৰে সিহঁতক প্ৰথমেই চাহ একোকাপ দি ল'লে। সিহঁতে কিন্তু বিস্কুটকেইখনহে খালে। নীৰাৰ জানো কি মন গ'ল ল'ৰা-ছোৱালী দুটাকো সিহঁতে অনা মিঠাই খাবলৈ নিদিলে। ভনীয়েকৰ লগত কথা চোবাই চোবাই তাই গৰমত ঘামৰ জোল উলিয়াই ভাত ৰান্ধিলে। চৌকাত বাৰিষাৰ কেঁচা